# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 07-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

ডিমা হাচাও জিলাৰ উমৰাংছুৰ কয়লাখনিত শোকাবহভাৱে মৃত্যু হোৱা শ্ৰমিকৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ডিমা হাচাও জিলাৰ আদালতত অভিযোগনামা দাখিল কৰে। তদন্তকাৰী গোটৰ এটা সূত্ৰই জনোৱা অনুসৰি কয়লাখনিত শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত ১২ জনকৈ লোকক অভিযুক্ত কৰি এই অভিযোগনামা দাখিল কৰা হৈছে। মূল ৫৫ পৃষ্ঠাৰ অভিযোগনামাখনত আন কেইবাশ পৃষ্ঠাৰ আনুসংগিক নথি পত্ৰও সংলগ্ন কৰা হৈছে। উমৰাংছুৰ এই ঘটনাক লৈ ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত ন্যায়িক আয়োগ গঠন কৰাৰ লগতে এখন বিশেষ তদন্তকাৰী গোট গঠন কৰিছিল।

০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ অহা ২ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আজি ঘোষণা কৰি নিৰ্বাচনী অধিসূচনা জাৰি কৰা হয়। ইয়াৰ লগে লগে কামৰূপ জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰই বিয়লি সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে এখন সভাত মিলিত হয়। প্ৰতিনিধিসকলক ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন দিশ যেনে- নিৰ্বাচনী আচৰণ বিধি, মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া, প্ৰাৰ্থী নিৰ্বাচনী ব্যয়ৰ সীমা আদি সম্পৰ্কে অৱগত কৰে। সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ দত্ত গোস্বামী, কমল বৰুৱা, সুজাতা গগৈ, কামৰূপ জিলা নিৰ্বাচনী বিষয়া ডঃ ভূপালী কাশ্যপৰ লগতে সহকাৰী ৰিটাৰ্ণিং নিৰ্বাচনী বিষয়াসকল উপস্থিত থাকে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত বানপানীৰ সময়ত ল'বলগীয়া বিভাগীয় পদক্ষেপ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত সাৰংগপানী শৰ্মাৰ অধ্যক্ষতাত আৰ্বত ভৱনত আজি অনুষ্ঠিত এই সভাত প্ৰতিটো বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। এই সভাত এশ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ বিগত ১৮ বছৰে পৰিষ্কাৰ নকৰা বোকাসমূহ তাৎক্ষণিকভাৱে নিষ্কাষণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। সেইদৰে বান্ধৰ পৰা ক্ষতিগ্ৰস্ত হ'ব পৰা প্ৰতিটো অঞ্চলত অনতিপলমে সংকেতধ্বনি সংযোগ কৰাৰ বাবে সংশ্লিষ্ট বিভাগক জিলা আয়ুক্তই নিৰ্দেশ দিয়ে।

০০০০

পাৱাৰ গ্ৰীড কৰ্পৰেশ্বন অৱ ইণ্ডিয়া লিমিটেডে কাচাৰ জিলাৰ স্বাস্থ্য আন্তঃগাথনি শক্তিশালী কৰাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। কৰ্পৰেট ছোছিয়েল ৰেছপনছিবিলিটিৰ অংশ হিচাপে কোম্পানীটোৱে ৩ দশমিক ০ - ৯ কোটি টকা আৱণ্টন দিছে। এই ধন স্বাস্থ্য প্ৰতিষ্ঠানসমূহত নিৰৱচিন্নভাৱে বিদ্যুৎ যোগান নিশ্চিত কৰাত ব্যয় কৰা হ'ব। এই উদ্দেশ্যে আজি জিলা উন্নয়ন আয়ুক্ত নৰসিং বে'ৰ কাৰ্যালয়ত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ অধীনত পাৱাৰ গ্ৰীডে কাচাৰ জিলা স্বাস্থ্য বিভাগক ৭ টা ৫ কে ভি এ ডিজেল জেনেৰেটৰ প্ৰদান কৰে। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত নৰসিং বে', পাৱাৰ গ্ৰীড শিলচৰৰ বিষয়া অনিন্দ দেৱ লস্কৰ আৰু স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডঃ শিৱানন্দ ৰায় উপস্থিত থাকে।

০০০০

আকাশবাণী ডিব্ৰুগড়ে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে কাইলৈ নাৰী অধিকাৰ আৰু সবলীকৰণ সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এই উদ্দেশ্যে কাইলৈ পুৱা চাৰে সাত বজাৰ পৰা নিশা দহ বজালৈকে প্ৰচাৰ হ'বলগীয়া অনুষ্ঠানসমূহত মহিলা বিষয়ক আলোচনা প্ৰচাৰ কৰা হ'ব। কেন্দ্ৰটোৱে এই দিৱসৰ লগত সংগতি ৰাখি কালি মৰান চাহ বাগিছাৰ সহযোগত খটখটিত এখন বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান সমন্বয়ক ইন্দিৰা মৰাঙে আন্তৰ্জাতিক নাৰী দিৱসৰ তাৎপৰ্য বাখ্যা কৰে। অনুষ্ঠানত নাৰীৰ স্বাস্থ্য, শিক্ষা, অন্ধবিশ্বাস দূৰীকৰণ আৰু মানৱ অধিকাৰ সন্দৰ্ভত বাগিছাৰ নাৰীসকলক সজাগ কৰিবলৈ এখন কৰ্মশালাৰো আয়োজন কৰা হয়। অনুষ্ঠানত ভালেসংখ্যক গণ্য মান্য লোকৰ লগতে বাগিছাৰ মহিলাসকল উপস্থিত থাকে।

০০০০

চিৰাং জিলাত আজি প্ৰধানমন্ত্ৰী জন ঔষধি কেন্দ্ৰৰ শুভাৰম্ভ কৰা হয়। এই কেন্দ্ৰটো জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী শান্তিপুৰত স্থাপন কৰা হৈছে। কোকৰাঝাৰ লোকসভাৰ সাংসদ জয়ন্ত বসমুতাৰী আৰু জিলা আয়ুক্ত যতীন বৰাই কেন্দ্ৰটো উদ্বোধন কৰে। জন ঔষধি দিৱস উপলক্ষে উদ্বোধন কৰা কেন্দ্ৰটো অঞ্চলটোৰ জনসাধাৰণৰ বাবে স্বাস্থ্য সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি সাংসদ জয়ন্ত বসুমতাৰীয়ে প্ৰকাশ কৰে।

জিলাখনৰ কাজলগাঁৱত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশত আৰু চিৰাং জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত কাইলৈ লোক আদালত অনুষ্ঠিত হ'ব। জিলা ন্যায়িক আদালত চৌহদ আৰু বিজনীৰ মহকুমা ন্যায়িক আদালত চৌহদত হ'বলগীয়া এই লোক আদালতৰ জৰিয়তে বিভিন্ন আপোচযোগ্য গোচৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি বেংকৰ লেনদেন আৰু বিদ্যুৎ মাচুল সংক্ৰান্তীয় গোচৰসমূহ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে।

০০০০

সামাজিক মাধ্যমত অশোভনীয় মন্তব্য আগবঢ়োৱা ইউটিউবাৰ ৰণবীৰ এলাহাবাদীয়া আজি গুৱাহাটীৰ অপৰাধ শাখাত হাজিৰ হয়। তদন্তকাৰী বিষয়াই তেওঁক কেইবাঘণ্টা জেৰা কৰে। এই সন্দৰ্ভত আৰক্ষী আয়ুক্ত অংকুৰ জৈনে সদৰি কৰা মতে অভিযুক্ত এলাহাবাদীয়াই তদন্তকাৰী বিষয়াৰ ওচৰত নিজৰ স্বীকাৰোক্তি লিপিবদ্ধ কৰাৰ লগতে আৰক্ষীৰ সকলো প্ৰশ্নৰ উত্তৰ দিয়ে। আৰক্ষী আয়ুক্ত শ্ৰীজৈনে কয়, যে এই গোচৰৰ অনুসন্ধান সঠিক দিশত আগবাঢ়িছে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে সামাজিক মাধ্যমত অশোভনীয় মন্তব্য আগবঢ়োৱা ইউটিউবাৰ আশীষ চঞ্চলনিক পূৰ্ণাংগ অন্তৰৱৰ্তীকালিন জামিন প্ৰদান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ